অসমীয়া বিভাগ , চতুৰ্থ ষাণ্মাসিক

কাকত - ৪০২

## **অসমৰ বিভিন্ন উৎসৱ – পাৰ্বন :**

***আলি-আই-লৃগাং*** : আলি-আই-লৃগাং মিছিংসকলৰ জাতীয় উৎসৱ ।অসমীয়াৰ ৰঙালী বিহু , ভোগালী বিহুৰ দৰে আলি-আই-লৃগাং মিছিংসকলৰ বিশিষ্ট জাতীয় উৎসৱ । এই উৎসৱ প্ৰতিবছৰে পালন কৰা হয় । লৃগাঙৰ প্ৰধান উদ্দশ্য হৈছে বসন্ত ঋতুৰ আগমনত যেন গোটেই পৃথিৱীতে সেউজীয়া সাজেৰে সজীৱতা দেখা যায় । সেইকাৰনে মিছিং সমাজত এই উৎসৱটি ফাগুন মাহৰ প্ৰথমটো বুধবাৰে পতা হয় । বুধবাৰটো মিছিংসকলৰ পবিত্ৰ আৰু মাংগলিক দিন । আলি-আই-লৃগাঙৰ অৰ্থ হ'ল - আলি মানে শস্য বা কঠিয়া , আই মানে ফল বা গুটি আৰু লৃগাং মানে হ'ল কাৰ্য । অৰ্থাৎ শস্য উৎপাদনৰ কাৰনে কঠিয়া সিঁচা কাৰ্যকে আলি-আই-লৃগাং বুলি কোৱা হয় ।

মিছিংসকল কৃষিজীৱি লোক । তেওঁলোকৰ প্ৰধান খেতি হ'ল - ধান, মাহ, সৰিয়হ , আলু , কচু ইত্যাদি । সেইকাৰনে এই ফল-মূলবোৰ বা শস্যবোৰৰ বাবে কঠিয়া প্ৰয়োজন । শস্য যাতে নষ্ট নহয় ,শস্য পোক পৰুৱা আৰু বনৰীয়া জীৱ -জন্তু , প্ৰাকৃতিক দুৰ্যোগে যাতে অনিষ্ট নকৰে তাৰ কাৰনে মাতৃদাত্ৰী আৰু পুৰুষসকলৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ এই উৎসৱ পালন কৰা হয় । আলি-আই-লৃগাঙৰ বাবে নিতৌ খাদ্য -সামগ্ৰীবোৰ গোটাই লয় । উৎসৱৰ দিনা বিশেষ ভোজনৰ আয়োজন কৰা হয় । লৃগাঙৰ পথাৰৰ এচুকত কোৰেৰে নতুনৰ শস্য সিঁচা আৰম্ভ কৰে আৰু দুপৰীয়া গাঁৱৰ ৰাইজে পথাৰতে একত্ৰিত হৈ উৎসৱ আৰম্ভ কৰে । উৎসৱ শেষ হোৱাৰ পিছতে তেওঁলোকে মদ , মাংস আদিৰে ভোজ-ভাত খায় । ভোজ-ভাত খাই উঠি ডেকা -গাভৰুৱে মিলি নৃত্য কৰে । আলি-আই-লৃগাং মিছিংসকলৰ পবিত্ৰ উৎসৱ । সেয়েহে অতীজৰে পৰা বৰ্তমান কাল পৰ্যন্ত নীতি-নিয়মৰ মাজেৰে এই উৎসৱ পালন কৰি অহা হৈছে । কেতিয়াবা প্ৰাকৃতিক দুৰ্যগবশতঃ এই উৎসৱ ফাগুন মাহত নহ'বও পাৰে ।

**ভঠেলি** : নামনি অসমৰ ঠাই বিশেষত এই উৎসৱ পালন কৰা হয় । ভঠেলি উৎসৱ দৰাচলতে কৃষি সম্বন্ধীয় এক বিশেষ উৎসৱ । বহাগ বিহুৰ ভিতৰত এই ভঠেলি উৎসৱ পালন কৰা হয় । লোকৰীতি অনুসৰি এই ভঠেলি উৎসৱৰ দিনা গঞা ৰাইজে ৰাতিপুৱাতে গা-পা ধুই বাশেষ মৰ্যদাৰে এডাল বাঁহ গছ কাটি আনি সেইজোপা গছ ভালদৰে ৰং-বিৰং কৰি নাম -কীৰ্তন আদিৰ জৰিয়তে পথাৰলৈ গৈ এঠাইত ধুনীয়াকৈ ৰোপন কৰি বিভিন্ন ধৰনৰ নাম -কীৰ্তন , উৎসৱ , অনুষ্ঠান আদিৰ আয়োজন কৰা হয় । এই উৎসৱত গঞা ৰাইজৰ মিলাপ্ৰীতিৰ ভাৱ এটা ফুটি উঠা দেখা যায় । পিছত গঞা ৰাইজে সন্ধিয়া পৰত নাম কীৰ্তনেৰে সেই ঠাই ত্যাগ কৰি ঘৰাঘৰি গুচি যায় । উল্লেখযোগ্য যে এই অনুষ্ঠানৰ জৰিয়তে কৃষিকৰ্ম তথা প্ৰজনন ক্ষমতাৰ বিষয়ে ৰাইজক পৰোক্ষভাৱে বুজাই দিয়া হয় । নামনি অসমৰ ৰামদিয়া , নলবাৰী আদি ঠাইত ধুমধামেৰে এই উৎসৱ পালন কৰা হয় । এই উৎসৱত বাঁহ এডালত কাপোৰ মেৰিয়াই আৰু মালা পিন্ধাই দৰা সাজি মাটিত পোতে আৰু অন্য কেইডাল বাঁহত কইনাৰ সাঁজ পিন্ধাই চাৰিওকাষত পোতা হয় । এই বাঁহৰ চাৰিওফালে মানুহে ঘুৰি ঘুৰি নাচে । পূৰ্বে এই উৎসৱ কেইবাদিনলৈ চলিছিল । বৰ্তমান এদিনীয়াকৈহে পালন কৰা হয় ।

**অম্বুবাচী/আমতি/সাত** : সংস্কৃত 'অম্বুবাচী ' শব্দৰ পৰা আমতি শব্দ হৈছে । বসুমতী নাৰীস্বৰূপ । বেদ-উপনিষদ, পুৰাণ -মহাপুৰাণ আদি পৰম্পৰাতো বসুমতী অথবা ধৰিত্ৰী নাৰী । নাৰী ৰজঃস্বলা হোৱাৰ দৰে বসুমতীও প্ৰতিবছৰে এবাৰকৈ ৰজঃস্বলা হয় কৃষিকৰ্ম আৰম্ভ কৰাৰ প্ৰাকমূহূৰ্তত । এইদৰে ধৰিত্ৰীয়ে লাভ কৰে প্ৰজনন শক্তি

। প্ৰকৃতাৰ্থত অম্বুবাচী শাস্ত্ৰ ব্যৱস্থিত । আহাৰ মাহৰ প্ৰথমাংশত ই সংঘটিত হয় । মৃগশিৰা নক্ষত্ৰ শেষ হোৱাৰ পাছত আদ্ৰা নক্ষত্ৰৰ প্ৰথম পদত সূৰ্যই অৱস্থান কৰিলে তিনিদিন ধৰি পৃথিৱী ৰজঃস্বলা হয় । এই কালছোৱাকে বোলা হয় অম্বুবাচী ।

আমতি প্ৰজনন উৎসৱ । আমতি বা অম্বুবাচীৰ অৰ্থ বৃষ্টিৰ সূচনা । নাৰী ৰজঃস্বলা হোৱাৰ লোকবিশ্বাসৰ ভিত্তিতেই আহাৰ মাহৰ সাতদিন যোৱাৰ পাছত এই উৎসৱ পালন কৰা হয় । এইকেইদিন কৃষক ৰাইজে মাটি কটা , হাল বোৱা, মাটিত সামান্য আঁচ পাতিও নামাৰে ।কিয়নো এই সময়ত পৃথিৱীখন অশুদ্ধ বা চুৱা বুলি ধৰা হয় । বিধবা তিৰোতা বা কোনো অঞ্চলত পুৰুষেও আমতিৰ কেইদিন ব্ৰত ৰাখে । আনহাতে কোনো অঞ্চলত ব্ৰত কৰা সকলক চাঙত তুলি থোৱা হয় । সাধাৰন লোকেও পাকঘৰত ৰন্ধা কাৰ্য নিৰ্দিষ্ট স্থানত কৰে । সধবা তিৰোতা ৰজঃস্বলা হ'লে এইকেইদিন অনাহাৰে থাকি ব্ৰত কৰিবলগীয়া হয় । গৃহস্থৰ ঘৰত প্ৰায়বোৰ সামগ্ৰী বিশেষকৈ নিতৌ প্ৰয়োজনীয় খিনিৰ বাহিৰেও আন কাপোৰ -কানি আৰু গৃহস্থ ঘৰ , গোঁসাইঘৰ স্পৰ্শ কৰাৰ পৰা বিৰত ৰাখিব লাগে । অসমৰ সকলো মন্দিৰেই সেইসময়ত বন্ধ থাকে । অম্বুবাচীৰ নিবৃত্তিৰ দিনা হাড়ি, চৰু , কাপোৰ -কানি ধুঁই পৰিস্কাৰ কৰি আমতিৰ চুৱা গুচায় । আমতিৰ ভিতৰত কল, কঠাল , দৈ আদি খোৱা লোকসকলক একেবাৰে অপবিত্ৰ বুলি জ্ঞান কৰা হয় । আনহাতে দেউৰী , চুতিয়া সকলৰ বুঢ়া-বুঢ়ী , কেচাঁইখাইতী মন্দিৰত অম্বুবাচীৰ নিবৃত্তিৰ বিশেষ নিয়ম আছে ।

**চমাংকান :** কাৰ্বিসকলৰ জনজীৱনৰ এক উল্লেখযোগ্য লোকউৎসৱ হৈছে চমাংকান । 'চামাং' ৰ অৰ্থ হৈছে খাছী আৰু 'কান' মানে নাচ । অৰ্থাৎ খাছী সকলৰ পৰাই এই অনুষ্ঠান কাৰ্বি সমাজত প্ৰৱেশ কৰা বুলি কোনো কোনোৱে অনুমান কৰে । কাৰ্বি সমাজত এই অনুষ্ঠানৰ যোগেদি মৃতলোকৰ সদগতিৰ অৰ্থে প্ৰেত কাৰ্য কৰে । মৃতলোক সম্পৰ্কীয় গীত পৰিবেশন এই অনুষ্ঠানৰ উল্লেখযোগ্য বৈশিষ্ট্য । গীতবোৰ 'দেহবিচাৰ'ৰ গীতৰ দৰে আধ্যাত্মিক ভাৱাপন্ন । মৃতকৰ পুনৰ জন্মৰ আশাৰে এই গীত গোৱা হয় । চমাংকান উৎসৱত দুগৰাকী ব্যক্তিয়ে মুখ্য **ভূমি**কা পালন কৰে । উচেপি এগৰাকী বয়সস্থ কাৰ্বি মহিলা । তেওঁ কন্দাৰ বাবে এগৰাকী পেশাদাৰী মহিলা । ঠিক ৰাজস্থানৰ ৰুদালিৰ দৰে । কাৰ্বি ৰুদালি গৰাকীয়ে চমাংকানত সুৰ লগাই শোক গীতসমূহ গায় । প্ৰথম তিনিদিন গোৱা গীতক 'কাপা এৰ' বোলে । এই গীত যৌন প্ৰধান । গীত গোৱাৰ সময়ত তেওঁলোকৰ জাতীয় বাদ্য ঢোল , পেঁপা আদি বজায় । কোনো কোনোৰ সমাজত ডেকাসকলে অশ্লীল ভাষাৰে গীত পৰিবেশন কৰে । কাৰ্বিসকলৰ মৃতকৰ শ্ৰাদ্ধানুষ্ঠান চমাংকান মূলতঃ ব্যক্তিকেন্দ্ৰিক অনুষ্ঠান হ'লেও বৰ্তমান ই উৎসৱৰ ৰূপ পৰিগ্ৰহ কৰিছে ।

**ৱানগালা :** গাৰো জনজীৱনৰ কৃষিভিত্তিক অনুষ্ঠানক ৱানগালা বুলি কোৱা হয় । আহিন -কাতি মাহত খেতি চপোৱাৰ পাছত তেওঁলোকৰ কৃষিদেৱতা বা ' ছালজং ' দেৱতালৈ খামাল বা পুৰোহিতৰ জৰিয়তে মদ - মাংস উপাচাৰ হিচাপে পূজা আগবঢ়োৱা হয় । কৃষিকৰ্মৰ আৰম্ভণিৰে পৰা উৎসৱৰ প্ৰস্তুতি চলে যদিও শস্য চপোৱাৰ পিছত ৰাইজৰ সুবিধাজনক দিন এটিত গাঁৱৰ মুখিয়ালজনৰ ঘৰতেই পূজা পতা হয় । পূজাৰ অন্তত ৰাইজে মিলি ভোজ -ভাত খায় আৰু নৃত্য -গীত পৰিবেশন কৰে । পিছদিনা মুখিয়ালজনৰ ঘৰতে ৰাইজে মিলি 'চাচাত' নামৰ আন এটি অনুষ্ঠান পালন কৰে । নানাবিধ বাদ্যযন্ত্ৰৰ শব্দৰ তালে তালে গাৰোসকলৰ নিজা ঢাল -তৰোৱাল লৈ 'গ্ৰিকা' নামৰ নাচ নাচে । ইয়াৰ পিছত পিঠাগুড়ি মিহলোৱা পানী ঘৰৰ বেৰত চটিওৱা হয় আৰু উৎসৱত ভাগ লোৱা সকলেও পৰস্পৰে পৰস্পৰৰ গাত সানে । ইয়াৰ পাছতহে নিজ নিজ ঘৰত 'চাচাত' পালন কৰা হয় । উৎসৱৰ বাবে প্ৰস্তুত কৰা জা-জলপান বিশেষকৈ মদ হ'লেহে ৱানগালা উৎসৱৰ সামৰণি পৰে ।

ৱানগালা উৎসৱত বাদ্যযন্ত্ৰী বজোৱাৰ প্ৰতিযোগিতা ৰাজহুৱাভাৱে কৰে । এই সময়ত তেওঁলোকে জাতীয় পোছাক পৰিধান কৰে । ডেকা - গাভৰুৰ মাজত প্ৰেমৰ আদান প্ৰদান হয় । ই হ'ল গাৰো জীৱনৰ এটি উল্লেখযোগ্য উৎসৱ ।

**খেৰাই উৎসৱ :** অসমৰ অন্যান্য সংস্কৃতিৰ দৰে বড়োসকলে প্ৰজনন আৰু উৰ্বৰাৰ প্ৰতীকিৰ ৰূপত খেৰাই উৎসৱ পালন কৰে । এই উৎসৱ বহাগ বিহুৰ দৰে বসন্তকালীন উৎসৱ । বিশেষকৈ কৃষিৰ লগত জড়িত ই এক ঋতুধৰ্মী নৃত্য । বথৌ দেৱতাক মুখ্য দেৱতা হিচাপে গন্য কৰি বড়োসকলে পৰম্পৰাগতভাৱে খেৰাই পূজা পাতে । তাৰপিছত মদ খাই সমূহীয়াকৈ নাচে । খেৰাইৰ ব্যুৎপত্তিগত অৰ্থ হিচাপে এচাম পণ্ডিতে এইদৰে দিছে - " ( খাৰ + আই) অৰ্থাৎ খাৰ মানে হ'ল দৌৰ বা গতি কৰা আৰু আই মানে হ'ল গোঁসানী । অৰ্থাৎ আই মাতৃক সন্তুষ্ট কৰিবৰ বাবে যি উৎসৱ পতা হয় সেয়াই খেৰাই উৎসৱ ।

আনহাতে কোনো পণ্ডিতৰ মতে ‘খেৰ’ মানে আঠু কঢ়া , ‘ৰা’ মানে সম্বোধন কৰা , ‘ আই ‘ আৰু ‘ই’ মানে ঈশ্বৰৰ উদ্দেশ্যে নৃত্য ।

বাথৌ দেৱতাৰ সন্মুখত বিভিন্ন উপাচাৰ বলিৰ জীৱ - জন্তু , পশু - পক্ষী থৈ দেওধনীয়ে পূৰ্ৱমুৱাকৈ গমাৰী কাঠৰ পীৰাত বহে । ওজাই পিছত বহি আঠু কাঢ়ি মন্ত্ৰত বহে । পূজাৰীৰ পিছত বুঢ়া লোকসকল বহে । আনপানে খেৰাই নৃত্য চলি থাকে । চিফুং , শিঙা বা ৰামতাল আদি বিভিন্ন বাদ্যযন্ত্ৰ এই নৃত্যত ব্যৱহাৰ কৰা হয় । মুঠতে বসন্তকালীন এই খেৰাই উৎসৱ আৰু নৃত্য হ’ল বড়ো কছাৰীসকলৰ এক জাতীয় উৎসৱ ।

*স্মিতা ৰাভা*